**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 12-06-2026 **Time :** 11 AM

**11 AM NEWS**

---

অসম-নাগালেণ্ড সীমান্তত তেল আৰু গেছৰ অন্বেষণৰ বাবে কেন্দ্ৰীয় চৰকাৰ, অসম আৰু নাগালেণ্ডৰ মাজত কালি নতুন দিল্লীৰ  কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ত এখন ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অনুষ্ঠানত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' আৰু কেন্দ্ৰীয়  পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰী উপস্থিত থাকে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত কয়, যে এই ঐতিহাসিক চুক্তিৰ ফলত অসম আৰু নাগালেণ্ডৰ সীমান্তৱৰ্তী অঞ্চলৰ এহেজাৰ বৰ্গ কিলোমিটাৰতকৈ অধিক এলেকাত থকা তেল, গেছ আৰু খনিজ সম্পদৰ অন্বেষণ তথা উৎপাদনৰ নতুন দুৱাৰ মুকলি হ'ব। এই পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলক মূল চালিকাশক্তি হিচাপে লৈ ভাৰতবৰ্ষক শক্তিখণ্ডত স্বাৱলম্বী কৰি তোলাৰ যাত্ৰাত নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিকশিত আৰু সুৰক্ষিত ভাৰত গঢ়াৰ পথত বাধা হৈ থকা পুৰণি তথা জটিল সমস্যাসমূহ সমাধান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ আৰু খনিজ সম্পদৰ অন্বেষণৰ চুক্তিখনেই ইয়াৰ প্ৰমাণ। চুক্তি সম্পাদনাৰ লগে লগে উত্তৰ-পূব অৰ্থাৎ অষ্টলক্ষ্মী অঞ্চলৰ বাবে নতুন যুগৰ আৰম্ভণি ঘটিল বুলি তেওঁ মন্তব্য কৰে।

oooooooo

ৰাজ্য চৰকাৰৰ নতুন মন্ত্ৰীসকলে বিভিন্ন জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰাৰ পাছতে তেওঁলোকে সেই জিলাসমূহ ভ্ৰমণ কৰি বিভিন্ন উন্নয়নমূলক কাম-কাজৰ খতিয়ান লৈছে। মন্ত্ৰীসকলে জিলা প্ৰশাসনৰ সৈতে সমন্বয় ৰক্ষা কৰি উন্নয়ন, সু-শাসন আৰু সমৃদ্ধিৰ দিশত চৰকাৰৰ যাত্ৰাক গতিশীল কৰাৰ চেষ্টা চলাইছে। ওদালগুৰি জিলাৰ অভিভাৱক মন্ত্ৰী নীলিমা দেৱীয়ে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত অংশ লয়। বৈঠকত জনকল্যাণমূলক আঁচনিসমূহৰ ফলপ্ৰসু ৰূপায়ণ, আন্তঃগাঁথনি উন্নয়ন, প্ৰশাসনিক দক্ষতা তথা জিলাখনৰ সামগ্ৰিক অগ্ৰগতিৰ দিশসমূহ আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে জনসাধাৰণৰ সমস্যাসমূহ শীঘ্ৰেই সমাধানৰ বাবে সকলো বিভাগে সমন্বিত প্ৰচেষ্টাৰে কাম কৰাত গুৰুত্ব আৰোপ কৰে। লখিমপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই আজি জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বীসকলৰ সৈতে পৰ্যালোচনা বৈঠকত ভাগ ল'ব।

oooooooo

সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত, অসমৰ লোক সংগীত আৰু বিহুৰ অপ্ৰতিদ্বন্দ্বী শিল্পী খগেন মহন্তৰ মৃত্যু দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হয়। আকাশবাণীৰ নিয়মীয়া শিল্পী হিচাপে ১৯৬৫ চনৰ পৰা গীত পৰিৱেশন আৰম্ভ কৰা শিল্পীগৰাকীয়ে ১৯৭২ চনত প্ৰথম শ্ৰেণীৰ সুগম সংগীত আৰু লোক সংগীতৰ শিল্পী হিচাপে স্বীকৃতি লাভ কৰে। প্ৰথমে আকাশবাণীৰ সুৰকাৰ হিচাপে নিয়োজিত হৈ পাছলৈ সংগীত প্ৰযোজকৰ দায়িত্ব গ্ৰহণ কৰে। ২০০১ চনত আকাশবাণীৰ উত্তৰ-পূব সঞ্চালকালয়ৰ উপ-সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰা শিল্পীগৰাকীয়ে অসমীয়া লোক-সংগীতৰ শিল্পীসকলক বিচাৰি উলিয়াবৰ বাবে বিভিন্ন পদক্ষেপ লৈছিল। গাঁৱে-ভূঞে গৈ চহা মানুহৰ মাজত গীত পৰিৱেশন কৰাৰ লগতে লোকগীতৰ লেচেৰী বুটলি এনে গীতসমূহ

সংৰক্ষণৰ দিহা কৰাৰ ক্ষেত্ৰতো তেওঁ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল। ২৩ খন অসমীয়া চলচ্চিত্ৰত নেপথ্য শিল্পী হিচাপে কণ্ঠদান কৰা শিল্পীগৰাকীয়ে তিনিখন অসমীয়া চলচ্চিত্ৰ পৰিচালনাও কৰিছিল। স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ বাৰ্তাত কয়, যে শিল্পীগৰাকীৰ সুললিত কণ্ঠই ৰাজ্যৰ লোক সংস্কৃতি, ঐতিহ্য আৰু বিহুৰ সংৰক্ষণ আৰু প্ৰসাৰত অৰিহণা যোগাইছিল। গাঁৱৰ মাটিৰ নিভাঁজ গোন্ধেৰে ভৰা তেওঁৰ সংগীতে অসমৰ জনজীৱন, আশা-আকাংক্ষা আৰু আৱেগক সজীৱভাৱে প্ৰতিফলিত কৰে বুলি তেওঁ উল্লেখ কৰে।

oooooooo

ভ্ৰাম্যমান থিয়েটাৰ সৃষ্টিকৰ্তা অচ্যুত লহকৰ আজি দশম মৃত্যু বাৰ্ষিকী। স্বাধীন ভাৰতৰ অন্যতম জনপ্ৰিয় গণমাধ্যম ভ্ৰাম্যমান থিয়েটাৰৰ জনক গৰাকীৰ মৃত্যু তিথি উপলক্ষে আজি পাঠশালাত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। প্ৰায় ৬০বছৰ পূৰ্বে গান্ধী জয়ন্তীৰ দিনটোত পাঠশালাৰ হৰিমন্দিৰ প্ৰাংগণত নটৰাজ থিয়েটাৰ স্থাপন কৰি প্ৰয়াত লহকৰে ভ্ৰাম্যমান নাট্যযাত্ৰাৰ সোণালী পথৰ সূচনা কৰিছিল। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অচ্যুত লহকৰৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ভ্ৰাম্যমান থিয়েটাৰৰ জনকগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ডং শৰ্মাই কয়, যে ভ্ৰাম্যমান থিয়েটাৰক ৰাইজৰ কাষলৈ লৈ যোৱাৰ ক্ষেত্ৰত তেওঁৰ অৱদান অনস্বীকাৰ্য। ৰাজ্যৰ সমাজ জীৱনৰ অন্যতম মহীৰূহস্বৰূপ প্ৰয়াত লহকৰে আৰম্ভ কৰা অনন্য সাংস্কৃতিক বিপ্লৱে যুগ-যুগলৈ জাতিটোক সমৃদ্ধ কৰি ৰাখিব বুলি তেওঁ মন্তব্য কৰে।

oooooooo

গুৱাহাটীৰ পল্টন বজাৰ ৰে'ল ষ্টেচনত যোৱা নিশা ৰে'ল আৰক্ষীয়ে ৯ জন সন্দেহজনক বাংলাদেশী নাগৰিকক আটক কৰে। ইয়াৰ ভিতৰত ৬ জন পুৰুষ, এগৰাকী মহিলা আৰু দুটি শিশু আছে। বদৰপুৰৰ পৰা শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ ৰে'লত আহি থকা অৱস্থাত ৰে'ল আৰক্ষীয়ে এই লোক কেইজনক আটক কৰে। সন্দেহজনক বাংলাদেশী নাগৰিক কেইজনে বৈধ পৰিচয় পত্ৰ দেখুওৱাত ব্যৰ্থ হয়। আৰক্ষীয়ে লোক কেইজনক সোধাপোছা অব্যাহত ৰাখিছে।

oooooooo

ডিব্ৰুগড়ৰ এগৰাকী যুৱতীয়ে কালিৰেপৰা অনুষ্ঠিত ফিফা বিশ্বকাপৰ ফেন অপাৰেচন্‌ছ এণ্ড গেষ্ট এক্সপিৰিয়েঞ্চ দললৈ নিমন্ত্ৰণ লাভ কৰিছে। ডিব্ৰুগড়ৰ দীপক কুমাৰ ভঁৰালী আৰু নিবামণি ভঁৰালীৰ কন্যা পিজ্জা ভঁৰালী সম্প্ৰতি আমেৰিকাৰ চিকাগ'ত বাস কৰে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ বেডমিণ্টনৰ পৰা আৰম্ভ কৰি বিশ্বৰ সৰ্ববৃহৎ ক্ৰীড়া আয়োজনত দায়িত্ব পালন কৰালৈ পিজ্জা ভঁৰালীৰ এই যাত্ৰাই সকলোকে অনুপ্ৰাণিত কৰিছে।

oooooooo

আই আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দশম সংস্কৰণৰ খেলসমূহ আজিৰ পৰা অনুষ্ঠিত হ'ব। বাৰ্মিংহামৰ এজবাষ্টনত হ'বলগীয়া উদ্বোধনী খেলত আয়োজক দেশ ইংলেণ্ড শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ১১ বজাত আৰম্ভ হ'ব। ইংলেণ্ড আৰু ৱেলছত মাহজুৰি হ'বলগীয়া এই প্ৰতিযোগিতাৰ ফাইনেল খেলখন ৫ জুলাইত লৰ্ডছ ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব। ভাৰতীয় মহিলা দলটোৱে অহা দেওবাৰে নিজৰ প্ৰথমখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় দলটোক হৰমন প্ৰীত কৌৰে নেতৃত্ব দিছে।

oooooooo

**সমাপ্ত**